بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২৮ জুনত মছজিদ মোবাৰক ইছলামবাদ টলফোৰ্ড(বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ৰ বিষয়ে উল্লেখ কৰিবলৈ কিছুমান ঘটনা বাকী আছে, সেয়া আজিৰ জুমাৰ খোতবাত উল্লেখ কৰা হব। ছিৰাত খাতামান্নাবীঈনত হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে ৬ হিজৰিৰ ৰবিউছ্ছানি মাহত আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদ (ৰাঃ) ৰ নেতৃত্বত কিছুমান মুছলমানক বণু ছালিমৰ কবিলালৈ পঠাই দিছিল। এই কবিলাৰ লোক সকলে নজাত অঞ্চলৰ জমুম নামৰ ঠাইত বাস কৰিছিল। এওঁলোকে বহুদিন ধৰি আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে লড়াই কাজিয়া চলাই আহিছিল। উক্ত লোক সকলৰ লগত সংগঠিত হোৱা যুদ্ধৰ পৰা ঘুৰি অহাৰ বেছি দিন নহওঁতেই আঁহজৰত (ছাঃ) য়ে জমা দিউল আউৱাল মাহত হজৰত জায়েদ (ৰাঃ) ক এশ সত্তৰজন চাহাবা সহ মদিনাৰ পৰা স্বামলৈ প্ৰেৰণ কৰিছিল কাৰণ স্বাম দেশৰ পৰা কুৰাইছ সকলৰ এটা দল আহি আছিল, তেওঁলোকক বাধা দিবলগীয়া হৈ পৰিছিল সেয়ে আঁহজৰত (ছাঃ) য়ে এই দলটো প্ৰেৰণ কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াতে ইখিনি কথা উল্লেখ কৰি থওঁ যে কুৰাইছ সকলৰ দল সদায় যুদ্ধৰ বাবে সষ্টম হৈ চলিছিল। এওঁলোকে মক্কাৰ পৰা স্বামলৈ অহা-যোৱা কৰোঁতে মদিনাৰ নিচেই কাষেদি অহা যোৱা কৰিছিল, যাৰ ফলত তেওঁলোকৰ ফালৰ পৰা মুছলমান সকলৰ বাবে এটা বিপদজ্জনক ভয়ৰ কাৰণ আছিল। ইয়াৰ উপৰিও মক্কাৰ এই দলীয় লোক সকলে অহা যোৱা কৰাৰ সময়ত আৰবৰ বেলেগ বেলেগ কুবাইল বিলাকক মুছলমান সকলৰ বিৰুদ্ধে উচটনি দি থাকিছিল। সেয়ে গোটেইখন দেশ জুৰি মুছলমান সকলৰ বিৰুদ্ধে হিংসাৰ দাবানল জ্বলি উঠিছিল। সেয়ে এই উদ্দেশ্য আগতলৈ আঁহজৰত (ছাঃ) য়ে উক্ত কাফেলাৰ খবৰ পাওঁতেই জায়েদ বিন হাৰছাক তালৈ পঠাইছিল আৰু হজৰত (ৰাঃ) য়ে অতি সাৱধানেৰে আৰু কোনোৱে গম নোপোৱাকৈ ইয়াজ নামৰ ঠাইত গৈ কুৰাইছৰ দলটোক আগুৰি ধৰিছিল। এই ইয়াজ ঠাইখন মদিনাৰ পৰা চাৰি দিনৰ বাট দূৰত্বত সাগৰৰ  পাৰত অৱস্থিত। এই আক্ৰমণ আছিল মুছলমান সকলৰ ফালৰ পৰা হঠাৎ আক্ৰমণ গতিকে কুৰাইছ দলটোৱে মুছলমান সকলৰ লগত তিষ্টিব নোৱাৰি সকলো বস্তু বাহিনী এৰি থৈ পলাই গৈছিল। হজৰত জায়েদ (ৰাঃ) য়ে কুৰাইছ সকলৰ কিছুমানক বন্ধী কৰিছিল আৰু সকলো বস্তু বাহিনী লৈ মদিনালৈ ওভতি আহিছিল আৰু আঁহজৰত (ছাঃ) ৰ ওচৰত আহি উপস্থিত হৈছিল।এনেদৰে ৬ হিজৰিৰ জমাদিউছ্ছানীত আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদ বিন হাৰছা(ৰাঃ)ৰ অধীনত পোন্ধৰজন চাহাবাৰ এটা তীৰ আন্দাজী দল এঠাইলৈ প্ৰেৰণ কৰিছিল। এই ঠাইখন মদিনাৰ পৰা ৩৬মাইল দূৰত অৱস্থিত আছিল। উক্ত ঠাইত তেতিয়া বণু শ্বোবলাৰ লোকে বসবাস কৰিছিল। তেওঁলোকে জায়েদ বিন হাৰছা (ৰাঃ) ৰ উপস্থিতিৰ বিষয়ে গম পাই ইফাল সিফাল আত্মৰক্ষাৰ্থে গুচি গৈছিল। আকৌ এই চন ৬ হিজৰিতেই জমাদিউছ্ছানীতেই আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদ বিন হাৰছা (ৰাঃ) ক পাচঁশ সৈন্য বাহিনীৰ নেতৃত্ব দি হিছামি নামৰ ঠাই এখনলৈ প্ৰেৰণ কৰিছিল। উক্ত ঠাইখন মদিনাৰ ফালে অৱস্থিত আছিল। উক্ত ঠাইখন বণু জিযামৰ লোক সকলে বসবাস কৰিছিল। এই আক্ৰমণৰ উদ্দেশ্য আছিল এয়া যে আঁহজৰত (ছাঃ) ৰ এজন চাহাবা, যাৰ নাম আছিল হজৰত দহিয়া কালবি (ৰাঃ)। এখেত (ৰাঃ) য়ে ক্যায়ছৰ ৰুমৰ সৈতে সাক্ষাৎ কৰি ওভতি অহাৰ সময়ত যেতিয়া জিযামৰ অঞ্চলৰ কাষেদি আহি আছিল, তেতিয়া উক্ত কবিলাৰ এজন নেতা হানিদ বিন আৰজ নামৰ লোকজনে নিজৰ কবিলাৰ কেইজনমান লোক লগত লৈ দহিয়া (ৰাঃ) ৰ ওপৰত আক্ৰমণ চলাইছিল আৰু সকলো ধন-মাল লুটি লৈছিল, লগতে ক্যায়ছৰে দিয়অ উপঢৌকন খিনিও লৈ লৈছিল। কিন্তু দহিয়া (ৰাঃ) য়ে কথমপি প্ৰাণলৈ মদিনালৈ আহি আঁহজৰত (ছাঃ) ক সকলো বিৱৰি জনাইছিল। সেয়ে আঁহজৰত (ছাঃ) য়ে দহিয়া (ৰাঃ)ক লগত দি হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক মুছলমান সকলৰ নেতৃত্ব দি  তালৈ পঠাই দিছিল। হজৰত জায়েদ (ৰাঃ)ৰ দলটোৱে বৰ সাৱধানেৰে দিনত ঘাপ লৈ লৈ আৰু ৰাতিত ভ্ৰমণ কৰি

কৰি হিছামি লৈ আগবাঢ়ি গৈছিল। এনেদৰে গৈ গৈ ৰাতিপুৱাৰ ভাগত বণু জিযামৰ লোক সকলক আক্ৰমণ কৰিছিল। বণু জিযামৰ লোক সকলেও তৎক্ষণাত ৰণত জপিয়াই পৰিছিল তুমুল প্ৰতিদন্দ্বিতা হৈছিল যদিও মুছলমান সকলৰ অৰ্তকিত আক্ৰমণৰ আগত তিষ্টিব নোৱাৰি অলপ সময় পিছতেই বণু জিযামৰ লোক সকলে ৰণ ভূমি এৰি পলাবলৈ বাধ্য হৈছিল আৰু ময়দান মুছলমান সকলৰ হাতলৈ আহি গৈছিল। উক্ত যুদ্ধত হজৰত জায়েদ বিন হাৰছা (ৰাঃ) য়ে অলেখ ধন সম্পদ আৰু জন্তু লগতে প্ৰায় এশজন লোকক বন্ধী কৰি লৈ মদিনালৈ আহিছিল। হিছামিৰ এই ৰণৰ এক মাহ পিছত আঁহজৰত (ছাঃ) আকৌ হজৰত জায়েদ (ৰাঃ) ক বাদিউল কাৰালৈ প্ৰেৰণ কৰিছিল। এই যুদ্ধত কেইবাজনও মুছলমান শ্বহীদ হৈছিল আৰু জায়েদ (ৰাঃ) নিজেও বেয়াকৈ আঘাত প্ৰাপ্ত হৈছিল। খোদা তায়ালাৰ কৃপাত এওঁলোকে কথমপি ৰক্ষা কৰিছিল।

চন ৪ হিজৰিত জমাদিউল আওৱাল মাহত মুতাৰ যুদ্ধ সংগঠিত হৈছিল। হজৰত আব্দুল্লাহ বিন ওমৰৰ পৰা বৰ্ণিত আছে যে আঁহজৰত (ছাঃ) মুতাৰ যুদ্ধৰ সেনাপতি হিচাপে হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক নিযুক্তি দিছিল। সেই নিযুক্তিৰ সময়ত ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল যে যুদ্ধত যদি জায়েদ শ্বহীদ হৈ যায় তেন্তে জাফৰ তোমালোকৰ আমিৰ হব আৰু যদি জাফৰৰ মৃত্যু তেন্তে আব্দুল্লাহ বিন ৰওৱাহা তোমালোকৰ আমিৰ হব। এজন ইহুদীয়ে এই কথাখিনি শুনি হজৰত জায়েদৰ ওচৰত গৈছিল আৰু তেখেতক কৈছিল যে যদি তোমালোকৰ ৰছুল সত্য হয় তেন্তে তুমি জায়েদ যুদ্ধৰ পৰা ঘূৰি আহিব নোৱাৰা। উক্ত কথাখিনি শুনি হজৰত জায়েদ (ৰাঃ) য়ে কৈছিল যে মই জীৱিত আহো অথবা নাহো কিন্তু আমাৰ ৰছুলুল্লাহ (ছাঃ) নিশ্চয় সত্য ৰছুল হয়। আল্লাহ তায়ালা কুদৰত এয়াই আছিল যে ঘটনা ঠিক তেনেদৰে ঘটিছিল। প্ৰথমে হজৰত জায়েদ (ৰাঃ) শ্বহীদ হৈছিল আৰু এখেতৰ পিছত হজৰত জাফৰ (ৰাঃ) য়ে সৈন্যৰ নিৰ্দেশক হৈছিল, এখেতও শ্বহীদ হৈ গৈছিল। এওঁলোক দুজনৰ পিছত হজৰত আব্দুল্লাহ বিন ৰওৱাহা আমিৰৰ দায়িত্বভাৰ গ্ৰহন কৰিছিল। এখেতও সেই যুদ্ধত শ্বহীদ হৈ গৈছিল। তেতিয়া সৈন্য সকলৰ মাজত প্ৰায় আতংক বিস্তাৰ হৈ পৰিছিল, এনে অৱস্থাত হজৰত খালিদ বিন অলিদে মুছলমান সকলৰ আহববানত যুদ্ধ পতাকা নিজৰ হাতত তুলি লৈছিল আৰু আল্লাহ তায়ালা তেখেতৰ জড়িয়তে মুছলমান সকলৰ বিজয় দান কৰিছিল আৰু তেখেতে ভালে ভালে সৈন্য দলক লৈ ওভতি আহিছিল।যেতিয়া আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদ (ৰাঃ) আৰু হজৰত জাফৰ (ৰাঃ) আৰু হজৰত আব্দুল্লাহ বিন ৰওৱাহা (ৰাঃ) ৰ শ্বাহাদতৰ খবৰ পাইছিলি তেতিয়া তেখেত (ছাঃ) য়ে তেওঁলোকৰ অৱস্থা সম্পৰ্কে বৰ্ণনাবলৈ থিয় হৈছিল আৰু প্ৰথমে হজৰত জায়েদ (ৰাঃ)ৰ বিষয়ে কৈছিল যে - হে আল্লাহ তুমি জায়েদক ক্ষমা কৰা, হে আল্লাহ তুমি জায়েদক ক্ষমা কৰা, হে আল্লাহ তুমি জায়েদক ক্ষমা কৰা। ইয়াৰ পিছত আকৌ কৈছিল যে জাফৰ আৰু আব্দুল্লাহ বিন ৰওৱাহাক ক্ষমা কৰা। তবকাতুল কুবৰাত লিখা আছে যে যেতিয়া হজৰত জায়েদ বিন হাৰছা (ৰাঃ) শ্বহীদ হৈ গৈছিল তেতিয়া নবী (ছাঃ) য়ে তেখেত (ৰাঃ)ৰ পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপনাৰ্থে গৈছিল তেতিয়া হজৰত জায়েদ (ৰাঃ) ৰ জীয়েকে শোক জৰ্জৰিত অৱস্থাত চকুলো টুকি আছিল। সেয়া দেখি আঁহজৰত (ছাঃ) ৰও চকুলো বৈ আহিছিল। হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ৰ শ্বাহাদতৰ সময়ত তেখেতৰ বয়স হৈছিল ৫৫ বছৰ। আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদ বিন হাৰছা (ৰাঃ) ৰ নমাজে জানাজা পঢ়াইছিল। লগতে কৈছিল যে হজৰত জায়েদৰ ক্ষমা প্ৰাৰ্থনা কৰক তেওঁ অনতি পলমেই জান্নাতত প্ৰৱেশ কৰিছে।হজৰত জবিলা (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে যেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে কোনোবা যুদ্ধত অংশ গ্ৰহন কৰা নাছিল তেতিয়া নিজৰ যুদ্ধাস্ত্ৰ একমাত্ৰ আলি (ৰাঃ) ৰ বাহিৰে আৰু হজৰত জায়েদ বিন হাৰছা (ৰাঃ)বাহিৰে আন কাকো দিয়া নাছিল। হজৰত জবিলা (ৰাঃ) য়ে আৰু বৰ্ণনা কৰিছে যে এবাৰ নবী কৰিম (ছাঃ)ক দুখন জিন (উটৰ পিঠিত লগোৱা মানুহ বহিব পৰা আসন) উপহাৰ দিছিল, তাৰে এখন নিজৰ বাবে ৰাখি আনখন হজৰত জায়েদ (ৰাঃ) ক দিছিল। হজৰত জবিলা আৰু বৰ্ণনা কৰিছে যে এবাৰ দুখন পিৰান তেখেত (ছাঃ) ক হাদিয়া দিয়া হৈছিল। তেখেত (ছাঃ) তাৰে এখন পিৰান নিজৰ বাবে ৰাখি আনটো হজৰত জায়েদ (ৰাঃ) ক দিছিল। এখন ৰোৱায়েতত উল্লেখ আছে যে হজৰত জায়েদ (ৰাঃ) ক আঁহজৰত (ছাঃ)ৰ বন্ধু বুলি কোৱা হৈছিল। হজৰত জায়েদ (ৰাঃ) ৰ বিষয়ে আঁহজৰত (ছাঃ) য়ে কৈছে যে লোকৰ মাজত আটাইতকৈ বেছি মোৰ প্ৰিয়জন হল তেওঁ যাক আল্লাহ তায়ালা পুৰস্কৃত কৰিছে অৰ্থ্যাৎ জায়েদ।

মুতাৰ যুদ্ধৰ পোতক তুলিবলৈ আঁহজৰত (ছাঃ) এঘাৰ হিজৰিৰ ছফৰ মাহত এটা ডাঙৰ সৈন্যদল গঠন কৰি ৰুমৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সকলো লোকক আদেশ দিছিল যে ৰুমৰ বিৰুদ্ধে সংগ্ৰামৰ সাজু হৈ যোৱা। এই সৈন্যদল সাজু হৈ যোৱাৰ পিছদিনা আঁহজৰত (ছাঃ) য়ে হজৰত উছামা বিন জায়েদক মাতি পঠিয়াইছিল আৰু এই যুদ্ধ পৰিচালনাৰ দায়িত্ব উছামা

(ৰাঃ) ৰ ওপৰত ন্যাস্ত কৰি কৈছিল যে তুমি তোমাৰ পিতৃৰ শ্বহীদ হোৱা ঠাইলৈ যাত্ৰা কৰা আৰু বেগেৰে ভ্ৰমণ কৰি যোৱা, আৰু সেই ঠাইৰ লোকে গম পোৱাৰ আগতেই তাত গৈ উপস্থিত হৈ যোৱা আৰু ধল পূৱাতেই সিঁহতৰ ওপৰত আক্ৰমণ কৰিবা। আঁহজৰত (ছাঃ) য়ে কৈছিল যে হজৰত জায়েদৰ মৃত্যুৰ প্ৰতিশোধ লবলৈ সিঁহতৰ ভূমি ঘোঁৰাৰ বিচুৰ্ণ কৰি দিবা। আঁহজৰত (ছাঃ) য়ে উছামা বিন জায়েদক কৈছিল যে বাট দেখুৱাই লৈ যাবলৈ মানুহ লৈ যাবা আৰু সেই ঠাইৰ খবৰ লবলৈ মানুহ নিযুক্ত কৰি লোৱা, যিয়ে তোমালোকক শুদ্ধ, সঠিক অৱস্থা সম্পৰ্কে জনাব পাৰে। আল্লাহ তায়ালা তোমালোকক বিজয় দান কৰক আৰু সোনকালে তোমালোকে ওভতি আহিবা। উক্ত যুদ্ধৰ সময়ত হজৰত উছামা বিন জায়েদৰ বয়স আছিল ১৭ ৰ পৰা ২০ বছৰৰ ভিতৰত। আঁহজৰত (ছাঃ) য়ে হজৰত উছামাৰ কাৰণে নিজ হাতেৰে এখন পতাকা বান্ধিছিল আৰু হজৰত উছামাক কৈছিল যে আল্লাহৰ নামলৈ জিহাদ কৰা আৰু যিজনে আল্লাহ তায়ালাক অস্বীকাৰ কৰে, তাৰ সৈতে যুদ্ধ কৰা।

ইয়াৰ পিছতেই আঁহজৰত (ছাঃ) ৰ অসুখ বাঢ়ি গৈছিল কিন্তু তেখেত (ছাঃ) য়ে আদেশ দিছিল যে সৈন্যদল উছামাক দিয়া। সোমবাৰ দিনা আঁহজৰত (ছাঃ) য়ে সুস্থ হৈছিল আৰু কৈছিল যে উছামা তুমি আল্লাহৰ বৰকতৰ সৈতে যাত্ৰা কৰা। হজৰত উছামা বিন জায়েদ (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ পৰা বিদায় লৈ যাত্ৰা কৰিছিল মাত্ৰ, এনেতে তেখেতৰ মাতৃ হজৰত উম্মে আয়মনাৰ পৰা এজন ব্যক্তিয়ে এয়া খবৰ লৈ আহিছিল যে আঁহজৰত (ছাঃ)ৰ মুমুৰ্য অৱস্থা দেখিবলৈ পোৱা গৈছে, অৱস্থা বহুত দূৰ্বল হৈ পৰিছে। এই নিৰ্মম খবৰ শুনাৰ লগে লগে হজৰত উছামা, হজৰত ওমৰ, হজৰত আবু উবায়দাৰ সৈতে আহি ৰছুলুল্লাহ (ছাঃ) ৰ ওচৰত উপস্থিত হৈছিল। এওঁলোকে আহি দেখিছিল যে আঁহজৰত (ছাঃ) ৰ বিদায় লগ্ন উপস্থিত। ১২ ৰবিউল আউৱালৰ দিনা আঁহজৰত (ছাঃ) য়ে চিৰ বিদায় লৈ মাওলায়ে কাদেৰ গণিৰ সমীপত হাজিৰ হৈছিল। সেই কাৰণেই মুছলমান সৈন্যই জৰফ নামৰ ঠাইৰ পৰা মদিনালৈ ওভতি আহিছিল। হজৰত বুৰিদা (ৰাঃ) য়ে হজৰত উছামাক দিয়া পতাকা আনি ৰছুলুল্লাহ (ছাঃ) ৰ ঘৰৰ দুৱাৰ মুখত উৰুৱাইছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ) য়ে সেই পতাকালৈ হজৰত উছামাৰ ঘৰলৈ যায় আৰু উছামা যেন তাৰ উদ্দেশ্যলৈ যাত্ৰা কৰে। হজৰত বুৰিদা (ৰাঃ) য়ে সেই পতাকালৈ সৈন্যদলক আগৰ স্থানলৈ গৈছিল। আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত গোটেই আৰবত এটা বিদ্ৰোহৰ উদ্ৰেক হৈছিল। চাহাবা সকলে হজৰত আবু বক্কৰ (ৰাঃ) ৰ ওচৰত আবেদন জনাইছিল যে পৰিস্থিতি প্ৰতিকুললৈ লক্ষ্য কৰি বৰ্তমানলৈ উছামাৰ যাত্ৰা পিছুৱাই দিব লাগে। হজৰত আবু বক্কৰ (ৰাঃ) য়ে সেই সিদ্ধান্ত মানি লোৱা নাছিল আৰু কৈছিল যে যদি হিংস্ৰ জন্তুৱে মোক ফালি ছিঙি চোঁচৰাই লৈ ফুৰে তথাপি মই এই সৈন্য দল ৰছুলে পাক (ছাঃ)ৰ সিদ্ধান্ত অনুযায়ী প্ৰেৰণ কৰিম। যিয়েই নহওক আকৌ এবাৰ সেই সৈন্যদল যাত্ৰা কৰিবলৈ সাজু হওঁতেই চাহাবা সকলৰ কিছুমানে অৱস্থা প্ৰতিকুল দেখি পৰামৰ্শ দিছিল যে বৰ্তমানলৈ এই যেন বন্ধ কৰা হয়। আন এটা ৰোৱায়েতত উল্লেখ পোৱা যায় যে আনছাৰ চাহাবা সকলৰ কিছুমানে হজৰত ওমৰ (ৰাঃ) ক কৈছিল যে খলিফাতুল ৰছুলুল্লাহ (ছাঃ) য়ে যিহেতু সৈন্যদল প্ৰেৰণাৰ্থে অটল সিদ্ধান্ত লৈছে, সেয়ে আপুনি গৈ আবেদন কৰক যে তেখেতে যেন এনেকুৱা এজন ব্যাক্তিক সেই সৈন্য দলৰ আমিৰ নিযুক্ত কৰে যিজনৰ বয়স উছামা (ৰাঃ) তকৈ বেছি হয়। লোকৰ এই মতামত লৈ হজৰত ওমৰ (ৰাঃ) য়ে হজৰত আবু বক্কৰ (ৰাঃ) ৰ ওচৰলৈ গৈছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ) য়ে সেই অটল সিদ্ধান্তত অলৰ-অচৰ থাকি কৈছিল যে যদি বনৰীয়া হিংস্ৰ জন্তু মদিনাত প্ৰৱেশ কৰি মোক উঠাই লৈ যায় তথাপি মই সেই কাম সম্পূৰ্ণ কৰাৰ পৰা বিৰত নহওঁ, যিটো ৰছুলুল্লাহ (ছাঃ) য়ে কৰিবলৈ আদেশ দিছে।

হজৰত আবু বক্কৰ (ৰাঃ) ৰ এই অলৰ-অচল দৃঢ় সিদ্ধান্ত শুনাৰ পিছত হজৰত ওমৰ (ৰাঃ) য়ে সৈন্য দলৰ ওচৰলৈ ওভতি গৈছিল। যেতিয়া লোক সকলে সুধিছিল যে কি সিদ্ধান্ত হল তেতিয়া হজৰত ওমৰ (ৰাঃ) য়ে ৰাগান্বিত হৈ উত্তৰ দিছিল যে তোমালোকে মোৰ কাষৰ পৰা দূৰ হৈ যোৱা। তোমালোকৰ কাৰণে মোৰ আজি ৰছুলুল্লাহ (ছাঃ)ৰ খলিফাৰ টান কথা শুনিব লগা হল। হজৰত আবু বক্কৰ (ৰাঃ) ৰ নিৰ্দেশ মৰ্মে হজৰত উছামা বিন জায়েদে সৈন্য দল সহ জৰফ নামৰ ঠাইত গৈ উপস্থিত হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ) য়ে নিজে সেই ঠাইলৈ গৈ সৈন্যদল পৰ্যবেক্ষণ কৰিছিল আৰু তৰতিব দিছিল। সেই সময়ত হজৰত উছামা বিন জায়েদে আৰোহী অৱস্থাত আছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ) য়ে অৰ্থ্যাৎ খলিফাতুৰ ৰছুল খোজকাঢ়ি গৈছিল। হজৰত উছামা (ৰাঃ) য়ে আবেদন কৰিছিল যে- হে ৰছুলুল্লাহ (ছাঃ) ৰ খলিফা হয় আপুনি আৰোহন কৰক নহলে মই তলত নামি আহো। হজৰত খলিফাতুৰ (ৰাঃ) য়ে কৈছিল যে - খোদা তায়ালাৰ কছম ! নে তুমি তলত নামিবা না মই আৰোহন কৰিম আৰু মই কিয় মোৰ দুপদ আল্লাহৰ বাটত সামান্য সময়ৰ বাবে ধূলি বালিময় নকৰিবা। কাৰণ কাফিৰৰ বিৰুদ্ধে

জেহাদীয়ে যেতিয়া খোজ দিয়ে তেতিয়া তাৰ নিমিত্তে ইয়াৰ সলনি সাতশ নেকি লিখা হয় তাক সাতশ ছিৰিলৈকে উচ্চ (মৰ্যাদা) স্থান প্ৰদান কৰা হয় আৰু তাৰ সাতশ গোনাহ নিঃশ্বেষ কৰি দিয়া হয়।

এই ঘটনাৰ পিছত হজৰত ওমৰ (ৰাঃ) য়ে যেতিয়াই হজৰত উছামা (ৰাঃ) ক লগ পাইছিল তেতিয়াই উছামা (ৰাঃ) ক (আচ্ছালামু আলায়কা আয়ুহাল আমিৰু) অৰ্থ্যাৎ হে আমিৰ তোমাৰ ওপৰত শান্তি বৰ্ষিত হওঁক বুলি কৈছিল। হজৰত উছামা (ৰাঃ) য়ে ইয়াৰ উত্তৰত "গাফুৰুল্লাহে লাকা ইয়া আমিৰুল মোমিনিন" বুলি কৈছিল। অৰ্থ্যাৎ হে আমিৰুল মোমিনিন আল্লাহ তায়ালা আপোনাৰ সৈতে ক্ষমাৰ আচৰণ কৰক।

হজৰত আবু বক্কৰ (ৰাঃ) য়ে হজৰত উছামা (ৰাঃ) ৰ সৈন্যদলক এই বুলি নচিহত কৰিছিল যে তোমালোকে খিয়ানত (প্ৰাপ্য অস্বীকাৰ) নকৰিবা, তোমালোকে প্ৰতিশ্ৰুতি ভঙ্গ নকৰিবা, চুৰি নকৰিবা, আৰু পৰাজিত সৈন্যৰ নাক কান নাকাটিবা। শিশু, বুঢ়া, আৰু মহিলা সকলক হত্যা নকৰিবা, খেজুৰৰ গছ নাকাটিবা, আৰু ভেড়া, ছাগলী, গৰু আৰু উট আদি খোৱাৰ বাহিৰে জবাই নকৰিবা। আকৌ তেখেত (ৰাঃ) য়ে কৈছিল যে তোমালোকে এনে সম্প্ৰদায়ৰ ওচৰেদিও পাৰ হৈ যাবা যিসকলে নিজকে নিজে গিৰ্জাত ইবাদতৰ নিমিত্তে ওয়াকফে হৈ আছে তেওঁলোকক এৰি যাবা। তোমালোকে এনেকুৱা লোকক লগ পাবা যিসকলে বৰ্তনত বিভিন্ন ধৰণৰ খাদ্য খাবলৈ লৈ আনিব। যদি তোমালোকে তাৰ পৰা খোৱা তেন্তে বিছমিল্লাহ পঢ়ি খাবা। তোমালোকে নিশ্চয় এনে সম্প্ৰদায়ৰ ওচৰত হৈ উপস্থিত হবা যিসকলে মাজৰ পৰা মূৰ খুৰাই লৈছে কিন্তু চাৰিওফালে চুলি লাটুমৰ দৰে কৰি ৰাখিছে। তোমালোকে এনে লোক সকলক তৰোৱালেৰে সামান্য ভাৱে আঘাত কৰিবা আৰু আল্লাহৰ নামলৈ নিজকে ৰক্ষা কৰিবা। আল্লাহ তায়ালা তোমালোকক অস্ত্ৰঘাত আৰু মহামাৰী (তাউন)ৰ পৰা নিৰাপদ ৰাখক। যিয়েই নহওঁক ১১ হিজৰিত ১ ৰবিউচ্ছানিত হজৰত উছামা (ৰাঃ) য়ে নিজৰ সৈন্য বাহিনী লগত লৈ মদিনাৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল আৰু অঞ্চলৰ পিছত অঞ্চল পাৰ হৈ হৈ ৰছুলুল্লাহ (ছাঃ) ৰ আদেশ অনুযায়ী স্বামৰ অঞ্চল আবনাত গৈ উপস্থিত হৈছিল আৰু ৰাতি ধল পুৱাতেই সেই বস্তিৰ চাৰিওফালেৰে আক্ৰমণ চলাইছিল।

এই ৰণত যিজনেই মুছলমান জিহাদীৰ লগত যুদ্ধত অৱতীৰ্ণ হৈছিল তেওঁৰেই নিহত হৈছিল। বহু লোকক বন্ধী কৰি লোৱা হৈছিল। এনেদৰে অজস্ৰ গণিমতৰ মাল লাভ কৰিছিল, যাৰ পৰা পঞ্চমাংশ ৰাখি বাকীখিনি সৈন্যদলৰ মাজত ভগাই দিয়া হৈছিল। উক্ত যুদ্ধৰ বিৰতিৰ পিছত সৈন্যদল এদিন তাতে থাকি পিছদিনা মদিনালৈ ওভতি যাত্ৰা কৰিছিল।

যেতিয়া এই বিজয়ী সৈন্য মদিনা আহি পাইছিল হজৰত আবু বক্কৰ (ৰাঃ) য়ে মুহাজেৰিণ আৰু আনছাৰ সকলক লগতলৈ মদিনাৰ বাহিৰ ওলাই আহি এওঁলোকক স্বাগত জনাইছিল। মদিনাত প্ৰৱেশ কৰি সৈন্যদল মছজিদ নৱবী পৰ্যন্ত গৈছিল। হজৰত উছামা (ৰাঃ) য়ে মছজিদত দুই ৰাকাত নফল নামাজ পঢ়িছিল আৰু ঘৰলৈ গৈছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ) য়ে মকৰম ছাদিক আদম চাহাব অফ আইভৰিকোষ্ট আৰু মকৰম গোলাম মুস্তফা চাহাৱ অফ আউকাৰা (পাকিস্তানৰ) নমাজ জানাজা গায়েব পঢ়াৰ ঘোযনা কৰে। (ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 28 JUNE.. 2019**

| **To** |
| --- |
| ------------------------------------------------------------------------ |
| ------------------------------------------------------------------------ |

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**